# অসম জাতীয় বিদ্যালয় শিক্ষা সংসদ
# ASSAM JATIYA BIDYALAY EDUCATION COUNCIL

নুনমাটি, গুৱাহাটী-৭৮১০২০

Noonmati, Guwahati-781020

Ph. : 0361-2654229 (Office), e-mail : assamjatiyabidyalay@gmail.com, website : www.assamjatiyabidyalay.com


প্ৰসংগ ঃ এজবেক ০৭/০৭/২০২৬-২৭ তাৰিখ ঃ ০৭-০৭-২০২৬

Ref : Date :

## অসম জাতীয় বিদ্যালয়ত এজবেক কেন্দ্ৰীয় শিক্ষক প্ৰশিক্ষণ কাৰ্য্যসূচীৰ শুভাৰম্ভ

**গুৱাহাটী, ৭ জুলাই :** অসম জাতীয় বিদ্যালয় শিক্ষা সংসদৰ উদ্যোগত অসম জাতীয় বিদ্যালয়ত ছয়দিনজুৰি হ'বলগীয়া শিক্ষক প্ৰশিক্ষণ কাৰ্য্যসূচীৰ আজি শুভাৰম্ভ হয়। ৭ জুলাই পৰা ১২ জুলাইলৈ হ'বলগীয়া প্ৰশিক্ষণ কাৰ্য্যসূচীত ২৪ খন জিলাৰ মুঠ ৫২৯ গৰাকী প্ৰশিক্ষাৰ্থীয়ে অংশগ্ৰহণ কৰিব। উল্লেখযোগ্য যে অসমৰ কেবাখনো বিশ্ববিদ্যালয়, মহাবিদ্যালয়, বিদ্যালয়ৰ প্ৰায় ৩৮ গৰাকী সমল ব্যক্তিয়ে ইয়াত প্ৰশিক্ষণ প্ৰদান কৰিব। প্ৰতিখন জিলাৰ পৰা প্ৰতিটো বিষয়ৰ বাবে নিৰ্বাচিত চাৰিগৰাকীকৈ প্ৰশিক্ষাৰ্থীয়ে এটা বিষয়ত অংশগ্ৰহণ কৰাৰ সুবিধা লাভ কৰিব। প্ৰতিগৰাকী শিক্ষকে শিক্ষাৰ্থীক আগুৱাই নিয়াৰ বাবে নিজকে জ্ঞান সমৃদ্ধ কৰি ৰখা অতি জৰুৰী। সেইবাবেই শিক্ষকসকলে সময় সাপেক্ষে নিজকে সাজু কৰি ৰাখিবৰ বাবে প্ৰশিক্ষণৰ অতি প্ৰয়োজন। এই উদ্দেশ্য আগত ৰাখি অসম জাতীয় বিদ্যালয় শিক্ষা সংসদে শিক্ষক প্ৰশিক্ষণ কাৰ্য্যসূচী ৰূপায়ণ কৰি আহিছে। আজিৰ পৰা হ'বলগীয়া প্ৰশিক্ষণ কাৰ্য্যসূচীৰ উদ্বোধনী অনুষ্ঠানত বন্তি প্ৰজ্বলন কৰে অসম জাতীয় বিদ্যালয় শিক্ষা সংসদৰ সভাপতি দিলীপ কুমাৰ দত্ত চৌধুৰীয়ে। অনুষ্ঠানটোত শুভেচ্ছামূলক ভাষণ আগবঢ়ায় অসম জাতীয় বিদ্যালয় শিক্ষা সংসদৰ সচিব ডা° নাৰায়ণ শৰ্মাই। আজিৰ অনুষ্ঠানত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ প্ৰাধ্যাপিকা ড° নীৰাজনা মহন্ত বেজবৰাৰ লগতে একেখন বিশ্ববিদ্যালয়ৰ বাণিজ্য বিভাগৰ অৱসৰপ্ৰাপ্ত প্ৰাধ্যাপক ড° প্ৰাঞ্জল বেজবৰা উপস্থিত থাকে। ড° নীৰাজনা মহন্তই ভাষণ প্ৰদান কৰি কয় যে ভাষা চৈতন্য নাথাকিলে জাতীয় চৈতন্য নাথাকে। ড° প্ৰাঞ্জল বেজবৰাই ভৱিষ্যত প্ৰজন্মক ব্যৱসায়-বাণিজ্যৰ প্ৰতি আগ্ৰহী কৰাৰ প্ৰয়োজনীয়তা সম্পৰ্কে বক্তব্য প্ৰদান কৰে। উল্লেখনীয় যে ৭ আৰু ৮ জুলাইত অসমীয়া আৰু গণিত বিষয়ৰ প্ৰশিক্ষণ, ৯ আৰু ১০ জুলাইত ইংৰাজী আৰু সমাজ বিজ্ঞান বিষয়ৰ প্ৰশিক্ষণ, ১১ আৰু ১২ জুলাইত বিজ্ঞান আৰু হিন্দীৰ লগতে সুকুমাৰ কলা বিষয়ৰ প্ৰশিক্ষণ কাৰ্য্যসূচী অনুষ্ঠিত হ'ব। আজিৰ উদ্বোধনী অনুষ্ঠানটোৰ আঁত ধৰে এজবেকৰ সমন্বয়ক তথা বিদ্যালয়খনৰ জ্যেষ্ঠ শিক্ষক অসীম কৃষ্ণ বৰুৱাই। অনুষ্ঠানটোত সামৰণি বক্তব্য আগবঢ়ায় এজবেক শিক্ষক প্ৰশিক্ষণ সমন্বয়ক তথা বিদ্যালয়ৰ জ্যেষ্ঠ শিক্ষক ধ্ৰুৱ শৰ্মাই।

| | | |
|---|---|---|
| (দিলীপ কুমাৰ দত্ত চৌধুৰী) | (ডা° নাৰায়ণ শৰ্মা) | (অসীম কৃষ্ণ বৰুৱা) |
| সভাপতি | সচিব | সমন্বয়ক |
| অজাবি শিক্ষা সংসদ | অজাবি শিক্ষা সংসদ | অজাবি শিক্ষা সংসদ |